**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-02-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

## HEADLINES

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত আলোচনা কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত হ'বলগীয়া আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যক আমন্ত্ৰণ জনোৱা হৈছে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি নাৰায়ণপুৰৰ বৰদেউৰী গাঁৱত অৱস্থিত কুন্দি-কু অৰ্থাৎ দেওশালৰ নৱনিৰ্মিত কুন্দিকু গৃহ উদ্বোধন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা এই অনুষ্ঠানত সমন্বয় আৰু আধ্যাত্মিকতাৰ মিলন দেখি আনন্দিত হোৱা বুলি উল্লেখ কৰে। তেওঁ লগতে দেউৰীসকলৰ সমৃদ্ধ ইতিহাসে জাতীয় জীৱনক মহিমামণ্ডিত কৰিছে বুলি প্ৰকাশ কৰি সম্প্ৰদায়টোৰ ইতিহাস যাতে নতুন প্ৰজন্মই আওকান নকৰে তাৰ প্ৰতি সজাগ হোৱাৰ আহ্বান জনায়। এই দেওশালখনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে অনুষ্ঠিত উদ্বোধনী সভাখনত সাংসদ ৰণজিৎ দত্ত, বিধায়ক অমিয় কুমাৰ ভূঞা, দেউৰী পৰিয়ালৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী, হৰেণ দেউৰী আৰু প্ৰাক্তন বিদায়ক দেৱানন্দ হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ ১২ নম্বৰ ক'লাজান গাঁৱৰ এজন লোকৰ বাসগৃহত কালি মেৰাপানী আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যৰ লগতে নগদ ধন জব্দ কৰে। আৰক্ষীয়ে অঞ্চলটোৰ এগৰাকী মহিলাৰ গৃহত চলোৱা অভিযানত বৃহৎ পৰিমাণৰ হেৰ'ইনৰ লগতে চাৰে ৫ লাখ টকাৰো অধিক নগদ ধন জব্দ কৰাৰ উপৰি তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। লোক কেইজনৰ জিম্মাৰ পৰা নিচাযুক্ত টেবলেট, ৬ গ্ৰাম হেৰ'ইন আৰু ৯টা ম'বাইল হেণ্ডছেট জব্দ কৰা হয়।

একেদৰে ডিব্ৰুগড় জিলাৰ টিংখাং থানাৰ অন্তৰ্গত মাহমৰা থুলাইচুক গাঁৱৰ পৰা টিংখাং আৰক্ষীয়ে মাদকদ্ৰব্যসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। লোকজনৰ বাসগৃহৰ পৰা আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্যৰ লগতে এখন চাৰিচকীয়া বাহনো জব্দ কৰে।

০০০০০

আকাশবাণী ডিব্ৰুগড়ৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। এই দিৱস উপলক্ষে কালি অনুষ্ঠিত মহিলা সৱলীকৰণ আৰু সামাজিক স্বাস্থ্য শীৰ্ষক কৰ্মশালাখন আকাশবাণীৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশিষ ভাটনাগৰে উদ্বোধন কৰে। এই কৰ্মশালাত আকাশবাণীৰ অতিৰিক্ত সঞ্চালক প্ৰধান দীপক যোশীৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি, আকাশবাণী ডিব্ৰুগড়ৰ বিষয়া-কৰ্মী, অংশকালীন ঘোষক-ঘোষিকাসহ ১০০ ৰো অধিক লোকে অংশগ্ৰহণ কৰে। বিয়লিৰ ভাগত আকাশবাণীৰ দুগৰাকী অতিৰিক্ত  সঞ্চালক প্ৰধানৰ সৈতে ভাব বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। সন্ধিয়াৰ ভাগত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়।

০০০০০

মৰাণ স্বায়ত্তশাসিত পৰিষদৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা হয়। বৰগুৰিত থকা পৰিষদৰ কাৰ্যালয়ত প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে অংশগ্ৰহণ কৰি মৰাণ স্বায়ত্তশাসিত পৰিষদে জাতিটোৰ বাবে বিভিন্ন কাম-কাজ কৰি যোৱাৰ লগতে জাতিটোক আগুৱাই নিয়াৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে বুলি মন্তব্য কৰে। মুখ্য কাৰ্যবাহী পাৰিষদ অৰুণজ্যোতি মৰাণে পৰিষদলৈ ৰাজ্য চৰকাৰক অধিক পুঁজি আৱণ্টনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব আহ্বান জনায়। এই অনুষ্ঠানত তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ প্ৰধান সচিব চিন্ময় পাঠক, অগপৰ সাধাৰণ সম্পাদক জ্যোতিমণি মৰাণ, বিজেপিৰ জ্যেষ্ঠ নেতা পুলক গোহাঁই, পৰিষদৰ অধ্যক্ষ ধৰ্মেন্দ্ৰ নেওগ, প্ৰাক্তন মুখ্য কাৰ্যবাহী পাৰিষদ দ্বীপন মৰাণকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে বহু হিতাধিকাৰীক তাঁতশালৰ সঁজুলিৰ লগতে অন্যান্য বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়।

০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত গুৱাহাটীস্থিত সম্প্ৰসাৰণ শিক্ষা প্ৰতিষ্ঠানত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত আঞ্চলিক কৰ্মশালা আৰু শৈক্ষিক বৈঠকৰ কালি সামৰণি পৰে। ১৩ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত এই কৰ্মশালাত অংশ লৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ বিদ্যুৎ চন্দন ডেকাই যিকোনো কাৰ্যসূচী আয়োজনৰ বাবে নিখুঁট পৰিকল্পনা অপৰিহায্য বুলি মত প্ৰকাশ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কৃষি আৰু অন্যান্য বিভাগৰ ৪০ গৰাকী জ্যেষ্ঠ বিষয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

নিখিল বড়ো ছাত্ৰ সন্থাৰ ধেমাজি জিলা সমিতিৰ উদ্যোগত আৰু চিলাপথাৰ আঞ্চলিক সমিতিৰ সহযোগত কালি আলুপাৰা বড়ো প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত ছাত্ৰ সংগঠনটোৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত স্বচ্ছতা অভিযান, প্ৰাতঃ প্ৰাৰ্থনা, ছহিদ তৰ্পণকে ধৰি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দিনৰ ভাগত অনুষ্ঠিত মুকলি সভাত অংশ লৈ বিশিষ্ট ব্যক্তি সকলে বড়ো জনগোষ্ঠীৰ অস্তিত্ব আৰু সুৰক্ষাৰ বাবে নিখিল বড়ো ছাত্ৰ সন্থাই গ্ৰহণ কৰি অহা ভূমিকাত আলোকপাত কৰে।

০০০০০

সমাপ্ত